group differences of ~~Speech~~ speech habit."

৩

## ২.০৮ ঐতিহাসিক ভাষাবিজ্ঞান: (Historical Linguistics)

আধুনিক ভাষাবিজ্ঞানৰ পিতৃস্বৰূপ ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে ভাষাৰ অধ্যয়নৰ দুটা দৃষ্টিভংগীৰ কথা উল্লেখ কৰিছে— 'এককালিক' (Synchronic) আৰু 'কালক্ৰমিক' (Diachronic)। Dia (Prefix) Through, across অৰ্থাৎ মাজেদি বা অতিক্ৰম কৰি আৰু Chronos > Chronic, Time অৰ্থাৎ কাল। সেয়েহে যি কালৰ মাজেদি আহে, কাল অতিক্ৰমি আহে বা বিভিন্ন কালৰ মাজেৰে ~~কৰি~~ অনুসৰণ কৰে সেয়ে Diachronic বা 'কালক্ৰমিক'। ইয়াক সাধাৰণতে 'ঐতিহাসিক' বুলিও অভিহিত কৰা হয়। (যেনে ঠাকুৰ: পৃ. উ. ১২০) সেয়ে ক'ব পাৰি ঐতিহাসিক ভাষাবিজ্ঞানত কোনো এটা ভাষাৰ ক্ৰমবিৱৰ্তনৰ ধাৰা সম্পৰ্কে অধ্যয়ন কৰা হয়। আনকথাত, কোনো এটা ভাষাৰ ক্ৰমবিৱৰ্তনৰ ধাৰা অধ্যয়নে ঐতিহাসিক ভাষাবিজ্ঞানৰ ~~মূল দিশ~~। মূল বিষয়।

ভাষা পৰিৱৰ্তনশীল। ~~ভাষা~~ সময়ৰ গতিত ভাষাৰ পৰিৱৰ্তন হয়। কোনো এটা ভাষা কিদৰে সময়ৰ গতিত পৰিৱৰ্তিত হৈ আহিছে তাৰ আলোচনা ঐতিহাসিক ভাষাবিজ্ঞানত কৰা হয়। ঐতিহাসিক ভাষাবিজ্ঞানত লিখিত ভাষাক প্ৰামাণ্য উপ-পাদ্য (Corpus) হিচাপে লৈ ~~ভাষা~~ ঐতিহাসিক ভাষাবিজ্ঞানীয়ে বিস্তৃত আলোচনা উপস্থাপন কৰে। ভাষাটোৰ মূল উৎস কি, তাৰ পৰিৱৰ্তনৰ স্তৰবোৰ কি কি আৰু পৰিৱৰ্তনৰ ধৰণ ~~কি~~ ঐতিহাসিক ভাষাবিজ্ঞানত আলোচিত হয়। তাক কৰিবলৈ যাওঁতে বিভিন্ন সময়ৰ ভাষাটোৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আদি সকলো সম্পৰ্কে অধ্যয়ন কৰিবলগীয়া হয়। কিন্তু

ঐতিহাসিক স্তৰত এটা ভাষাটোৰ কি ৰূপত আছিল তাক সুনিশ্চিত হোৱা নাযায়। সেয়ে ঐতিহাসিক ভাষাবিজ্ঞানীয়ে প্ৰাচীন প্ৰস্তৰ লিপি, তাম্ৰলিপি, প্ৰাচীন হাতে লিখা পুথি, পৰিব্ৰাজকৰ টোকা আদি অধ্যয়ন কৰে। ইয়াতো তেওঁ সাধাৰণীকৰণ কৰে, বিভিন্ন ৰূপৰ ভিতৰত একোটাক তেওঁ সেই সময়ৰ শুদ্ধ বা মান্যৰূপ হিচাপে গ্ৰহণ কৰি তাৰ ভিত্তিত বৰ্তমান ৰূপসমূহৰ গঠন প্ৰণালী আলোচনা কৰে। সুতৰাং ক'ব পাৰি যে, ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষাটোৰ প্ৰাচীন স্তৰৰ পৰা আধুনিক স্তৰলৈ স্তৰ ভেদ অনুসৰি সকলোবোৰ প্ৰাচীন লিখিত নিদৰ্শন সংগ্ৰহ কৰি সময়ে সময়ে হোৱা ভাষাটোৰ পৰিবৰ্তনৰ বিভিন্ন দিশ অধ্যয়ন কৰা হয়।

২.০৭ ঐতিহাসিক ভাষা বিজ্ঞানৰ দিশ দুটা — এটা হ'ল — 'ব্যক্তিগত ভাষাৰ বিৱৰ্তন তত্ত্ব' (Linguistic Ontogeny) আৰু আনটো হ'ল — 'জাতি বৃত্তীয় ভাষা তত্ত্ব' (Linguistic Phylogeny)। এজন ব্যক্তিৰ শৈশৱৰ পৰা মৃত্যু পৰ্যন্ত তেওঁৰ ভাষা শিক্ষা সময়ৰ গতিত সমান্তৰাল ভাৱে কিদৰে বিৱৰ্তন হয় তাৰ আলোচনাই ব্যক্তিগত ভাষাৰ বিৱৰ্তন তত্ত্ব। আনহাতে একোটা ভাষা সম্প্ৰদায়ৰ ব্যক্তি নিৰপেক্ষ ভাৱে ভাষাৰ ঐতিহাসিক বিৱৰ্তনৰ অধ্যয়নেই 'জাতি বৃত্তীয় ভাষা তত্ত্ব'।

ঐতিহাসিক ভাষাবিজ্ঞান ভাষাবিজ্ঞানৰ এটি শাখা হিচাপে সূচনা হৈছিল Anglo-Saxon'ৰ পৰা ইংৰাজী ভাষাৰ ঐতিহাসিক বিকাশৰ অনুসন্ধানৰ ফলত। ইয়াৰ প্ৰধান পদ্ধতি দুটা — তুলনামূলক আৰু অভ্যন্তৰীণ পুনৰ্গঠন। ইয়াৰ জৰিয়তেই ভাষাগোষ্ঠীৰ সম্পৰ্ক বিচাৰ কৰি ভাষা পৰিয়ালৰ ধাৰণাই বিকাশ লাভ কৰে। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ অধ্যয়নৰ সোপানিয়ে এক কথাত, ঐতিহাসিক ভাষাবিজ্ঞানে সম্পৰ্কিত ভাষাসমূহৰ বৰ্গীকৰণ কৰাত মুখ্যতঃ সহায়ক হয়।

২.১০ সময়ৰ গতিত শব্দৰ অৰ্থৰ পৰিবৰ্তন হয়। অৰ্থ পৰিবৰ্তনৰ কাৰণ, অৰ্থ পৰিবৰ্তনৰ দিশ আদিৰ আলোচনা

Orion DREAMS
Page
Date / /

আদিও ঐতিহাসিক ভাষাবিজ্ঞানৰ আলোচনাৰ বিষয়। ব্যাকৰণবিদ্যাৰ আলোচনাত ঐতিহাসিক ভাষাবিজ্ঞানী মনোযোগী নহয় কিন্তু অৰ্থতত্ত্বৰ আলোচনাত বিশেষ উৎসাহী। শব্দৰ প্ৰথমতে অৰ্থ কি আছিল, কি কি পৰিৱৰ্তন কেনেদৰে সাধিত হৈছে সেই কথা ঐতিহাসিক ভাষাবিজ্ঞানীসকলে আলোচনা কৰে। অৰ্থ পৰিৱৰ্তনৰ দিশ তিনিটা- অৰ্থবিস্তাৰ, অৰ্থসংকোচন আৰু অৰ্থসংশ্লেষণ।

কেতিয়াবা কোনো এটা শব্দই প্ৰথমতে সীমিত অৰ্থ প্ৰকাশ কৰি আছিল বিস্তৃত অৰ্থ প্ৰকাশ কৰিলে - এক অৰ্থবিস্তাৰ বোলে। যেনে- প্ৰবীণ শব্দটোৱে প্ৰথমতে বীণ বজোৱাত পাকৈত জন বুজাইছিল কিন্তু পৰৱৰ্তী সময়ত যিকোনো কাম নিপুণতাৰে সম্পাদন কৰোঁতাক বুজাবলৈ ~~লয়~~। ব্যৱহাৰ হ'বলৈ ধৰে। আকৌ প্ৰথমতে বিস্তৃত অৰ্থ প্ৰকাশ কৰি আছিলে সীমিত অৰ্থ প্ৰকাশ কৰিলে- এক অৰ্থ সংকোচন বোলে। যেনে- মৃগ শব্দই এসময়ত সকলো পশুকে বুজাইছিল আছিল হ এবিধ বিশেষ পশু - হৰিণক বুজাবলৈ ধৰে। কেতিয়াবা এটা শব্দই একসময়ত যি অৰ্থ প্ৰকাশ কৰিছিল ~~সময়~~ আছিলে সি অন্য এক বেলেগ অৰ্থ প্ৰকাশ কৰিলে এক অৰ্থসংশ্লেষণ বোলে। যেনে— গঁৱাৰ শব্দটোৱে একসময়ত গাঁৱত বাস কৰা লোকক বুজাইছিল কিন্তু আছিল গঁৱাৰ শব্দটোৱে মূৰ্খক বুজাবলৈ ল'লে। ভাষাৰ অৰ্থ পৰিৱৰ্তনৰ এই দিশটোৰ আলোচনাত ঐতিহাসিক ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

২.১১ ঐতিহাসিক ভাষাবিজ্ঞানৰ দৃষ্টিভংগীৰে লিখা দুখন উল্লেখনীয় গ্ৰন্থ হ'ল -(অসমীয়া ভাষাৰ মূল) ড° বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্ৰন্থ 'Assamese, Its formation and Development'. (A.F.D) (বঙলা ভাষাৰ) ড° সুনীতি কুমাৰ চেটাৰ্জীৰ 'The Origin and Development of The Bengali ~~Lange~~ Language'. (O.D.B.L)